# পূজা এক অনুভৱ

পঙ্কজ ফুকন

মানুহ বিশ্ব ব্ৰহ্মাণ্ডৰ জীৱ-জন্তুৰ ভিতৰত কিছু সুকীয়া জ্ঞ্যানেৰে সৃষ্টি এক জীৱ । অতিজত হয়তু মানুহে খাদ্য সন্ধানত বিভিন্ন ঠাইত অনাই বনাই ফুৰি খাদ্য বিচাৰি পালেই সন্তোষ্টি লাভ কৰিছিল । পিছত ক্ৰমান্নয়ে হয়তু লাজ নিবাৰন আৰু প্ৰকৃতিৰ বিভিন্ন ঘটনা পৰিঘটনাৰ পৰা বাচি থকাৰ অভাৱবোধ কৰিলে । সময়ৰ গতিত অভাৱ বা বহুতো বিপদ আপদৰ লগত জীৱন অতিবাহিত কৰিব লগা হৈছিল । সেইসময়ত ৰ'দ-বৰষুণ, বতাহ, বিজুলী-গাজনী, গছ-গছনি, বিভিন্ন জীৱ-জন্তু , সূৰ্য্য-চন্দ্ৰ আদিৰে ভৰা দেখি, এক শক্তিৰে সৃষ্টি বুলি বিশ্বাস কৰিছিল । সেই শক্তিকে পিছলৈ হয়তু মহা শক্তিৰ কল্পনা কৰি সৰ্বশক্তিমান ভগৱান বা দেৱতা বুলি জ্ঞ্যান কৰি মানুহে বিচৰা যিকোনো পোৱাৰ বাবে বা বিপদ আপদৰ পৰা মুক্তি পাবলৈ আৰাধনা কৰিবলৈ ধৰিলে । সেই আৰাধনাই হয়তু আহি আহি যুগ যুগ বছৰৰ পিছত আজিৰ পূজাৰ পৰ্য্যায় পাইছেহি ।

পূজা হ'ল পৃথিৱীৰ বিভিন্ন ধৰ্মৰ লগতে হিন্দু ধৰ্মাৱলম্বী লোকসকলেও পালন কৰা এক অনুষ্ঠান । পূজা শব্দটো সংস্কৃতৰ পৰা অহা আৰু ইয়াৰ অৰ্থ হৈছে শ্ৰদ্ধা, সন্মান আৰু আৰাধনা। হিন্দুধৰ্মৰ পূজাত দেৱতা বা ভগৱানলৈ বা আৰাধ্য অদৃশ্য শক্তিলৈ চাকি, ধুপ-ধুণা, ফুল, তুলসী, দুৱৰি, বেল পাত, ফল-মুল, চাউল, চন্দন, পানী বা বিভিন্ন খাদ্যৰ প্ৰেমপূৰ্ণ নৈবেদ্য আগবঢ়োৱা হয়। ।হিন্দু ধৰ্মত পূজা এটা সাত্ত্বিক কাম।

হিন্দু প্ৰথাত পূজা বিভিন্ন উপলক্ষে কৰা হয়। ইয়াত ঘৰত কৰা দৈনিক পূজা, বা কেতিয়াবা মন্দিৰৰ অনুষ্ঠান আৰু বাৰ্ষিক উৎসৱ অন্তৰ্ভুক্ত হ'ব পাৰে। অন্যক্ষেত্ৰত শিশুৰ জন্ম তাৰিখ, গৃহপ্ৰৱেশ অনুষ্ঠান প্ৰথম ভাত খোৱাৰ অনুষ্ঠান বা অন্নপ্ৰাসন, বিবাহ, ব্ৰাহ্মণ সকলৰ বাবে লগুণ দিয়া অনুষ্ঠান বা উপনয়ন অনুষ্ঠান বা নতুন উদ্যোগ আৰম্ভ কৰা আদিৰ সময়তো এভাগ পূজা পতাৰ পৰম্পৰা আছে।

হিন্দু ধৰ্মত পূজা বাধ্যতামূলক নহয়। কিছুমান হিন্দুৰ বাবে হয়তো এয়া নিত্যনৈমিত্তিক ঘটনা, কিছুমানৰ বাবে সাময়িক অনুষ্ঠান আৰু আন কিছুমান হিন্দুৰ বাবে বিৰল ঘটনাও হব পাৰে ।পূজা কৰা প্ৰধান দুটা ক্ষেত্ৰ হ'ল ঘৰত আৰু মন্দিৰত। কিছুমান ঘৰ বা মন্দিৰত, দিনৰ বিভিন্ন সময়ত প্ৰতিদিনে বিভিন্ন পূজা অনুষ্ঠিত হ'ব পাৰে আৰু আন কিছুমান ঘৰ বা মন্দিৰত কেতিয়াবাহে হ'ব পাৰে।

হিন্দুধৰ্মত পূজাত কেতিয়াবা মূৰ্তি আৰু কেতিয়াবা প্ৰতিমূৰ্তি বা ঘট আৰু পঞ্চ পল্লৱ ব্যৱহাৰ কৰা হয়। আনকি কিছুমান হিন্দুৱে ব্যক্তি, স্থান, নদী, পুৰণি শিল, অগ্নি, গছ বা যিকোনো বস্তুকে ঐশ্বৰিক বাস্তৱতাৰ প্ৰকাশ বুলি ভাবে। কিছুমানৰ বাবে ভগৱান বা নেদেখাজন সকলো ঠাইতে বিৰাজমান ।

পূজা সম্প্ৰদায়, অঞ্চল আৰু উপলক্ষ অনুসৰি ভগৱানক সন্মান জনোৱা পদ্ধতি আৰু তাৰ পাছত কৰা পদক্ষেপ বিভিন্ন হয়। সাধাৰণতে অকলশৰীয়াকৈ হিন্দু উপাসকে পূজা কৰে যদিও কেতিয়াবা জটিল ৰীতি-নীতি আৰু স্তুতি-কীৰ্তনত পাৰদৰ্শী পুৰোহিতৰ উপস্থিতিত কৰা হয়।

এক ঐতিহাসিক অনুশীলন হিচাপে হিন্দু ধৰ্মত পূজা, এজন সন্মানীয় আৰু প্ৰিয় অতিথি হিচাপে, শ্ৰেষ্ঠ উপায়েৰে এজনৰ জড়িয়তে সম্পদ প্ৰদান কৰি আৰু বিনিময়ত তেওঁলোকৰ সুখ আৰু আশীৰ্বাদ লাভ কৰাৰ এক ব্যৱস্থা । সেই গুৰুত্বপূৰ্ণ ব্যক্তিক জনক পুৰোহিত বা পূজাৰী বুলি কোৱা হয়। বিশ্বাস কৰা হয় যে, পুৰোহিত বা পূজাৰীৰ বাবে মূৰ্ত্তিত ভগৱান দৃশ্যমান হয় আৰু ভগৱানে পূজাৰীক প্ৰত্যক্ষ কৰে। সেয়েহে পূজাত পুৰোহিতে ভক্তক ভগৱানৰ দৰ্শন কৰোৱাত বা ওচৰ চপাই অনাত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে ।

পূজাৰ গাঁথনি আৰু অনুশীলনত মন্ত্র আৰু ৰীতি-নীতিয়ে আধ্যাত্মিকতাৰ ওপৰত গুৰুত্ব দিয়ে আৰু পূজাৰ শেষলৈকে মানুহক সেই আধ্যাত্মিকতাই আবৰি ৰাখে ।

বৈদিক পূজাত ভগৱানৰ প্ৰতি শ্ৰদ্ধা জনাই পূজাৰ আয়োজন কৰিছিল । সেই পূজাৰ জড়িয়তে ভগৱানৰ ওচৰত আধ্যাত্মিক শক্তি আহৰণ কৰি মানুহে আনন্দ লাভ ও শান্তি অনুভৱ কৰিছিল। পিছলৈ বহু মানুহৰ বাবে পূজা কামনা আৰু আবেদনৰ বাহন হৈ থাকিল, যেনে- নিজৰ সন্তানৰ সুস্বাস্থ্যৰ বাবে, বেমাৰৰ পৰা ক্ষিপ্ৰতাৰে আৰোগ্য লাভ, কল্পনা কৰা বস্ত পোৱাৰ কামনা বা উদ্যোগত সফলতা ইত্যাদি।

হিন্দু ধৰ্মত পূজা হৈছে চেতনাৰ পৰিৱৰ্তনৰ এক পথ আৰু প্ৰক্ৰিয়া, য'ত ভক্ত আৰু দেৱতাৰ আধ্যাত্মিক তাৎপৰ্য্যক একেলগে কৰা হয়। ভাৰতৰ বিভিন্ন প্ৰান্তত এই আনুষ্ঠানিক পূজা প্ৰক্ৰিয়াক মুক্তি, শুদ্ধকৰণ আৰু লগতে আত্মা আৰু আবেগৰ একপ্ৰকাৰৰ যোগ হিচাপে গণ্য কৰা হয়।

এখন ঘৰৰ বা মন্দিৰৰ পূজাত কেইবাটাও পৰম্পৰাগত “উপকাৰ” বা "উপস্থান" অন্তৰ্ভুক্ত হ'ব পাৰে। এই পদক্ষেপ সমূহ অঞ্চল, পৰম্পৰা, স্থাপন, বা সময় অনুসৰি বিশেষকৈ দেৱতাক আপ্যায়ন কৰা পদ্ধতি অনুসৰি ভিন্ন হ'ব পাৰে। সাধাৰণতে, দেৱ-দেৱীক বা ভগৱানক অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হয়, ভগৱানে সন্মানীয় অতিথি হিচাপে ভক্তৰ আতিথ্য গ্ৰহণ কৰে আৰু চোৱাচিতা কৰে, ভগৱানৰ ওচৰত স্তোত্ৰ আৰু অন্ন নিবেদন কৰা হয়, প্ৰেম আৰু সন্মানৰ এক অভিব্যক্তিৰ পিছত আয়োজকে স্তুতি কৰে আৰু স্নেহৰ সৈতে ভগৱানক বিদায় জনায় ।

সকলো ধৰণৰ পূজাত প্ৰচলিত কেইটামান পদক্ষেপ তলত উল্লেখ কৰা হ'ল ।

১. আবাহন (আমন্ত্ৰন)- দেৱতাক অন্তৰৰ পৰা অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হয়।

২. আসন- দেৱতাক আসন অৰ্পণ কৰা হয়।

৩. পদ্য- ভগৱানৰ পদধূলা প্ৰতীকী ভাৱে কৰা হয়।

৪. জল- শিৰ আৰু শৰীৰ ধোৱাৰ বাবে পানী আগবঢ়োৱা হয়

৫. অৰ্ঘ্য- পানী আগবঢ়োৱা হয় যাতে দেৱতাই মুখ ধুব পাৰে।

৬. স্নান বা অভিষেক- প্ৰতীকী স্নানৰ বাবে পানী আগবঢ়োৱা হয়।

৭. বস্ত্ৰ- কাপোৰেৰে প্ৰতিমাৰ চাৰিওফালে আবৃত কৰা হয়।

৮. অনুলেপনবাগন্ধ – প্ৰতিমূৰ্তিত সুগন্ধি তেল আৰু চন্দন প্ৰয়োগ কৰা হয়।

৯.পুষ্পা- প্ৰতিমূৰ্তিৰ আগত ফুল, বা মালা পিন্ধাই দিয়া হয়।

১০.ধুপ-ধূনা- প্ৰতিমূৰ্তিৰ আগত ধূপ-ধূনা জ্বলোৱা হয়।

১১. চাকি-প্ৰতিমূৰ্তিৰ সন্মুখত ঘিউ বা তেলৰ চাকি জ্বলাই থোৱা হয় ।

১২. নৈবেদ্য- বিভিন্ন খোৱা শস্য, ফল মূল, চেনি, তামোল-পান আদি খাদ্য আগবঢ়োৱা হয়।

১৩. নমস্কাৰ বা প্ৰাণায়াম- পূজাৰী আৰু পৰিয়ালে প্ৰতিমাৰ সন্মুখত প্ৰণাম বা প্ৰণিপাত জনাই শ্ৰদ্ধাঞ্জলি জনায়।

১৪. বিসৰ্জন – শেষত দেৱ-দেৱীক সন্মান সহকাৰে বিদায় জনায়।

ভাৰতত সকলো ঠাইতে বিভিন্ন পূজা কৰা হয়। তাৰে ভিতৰত শিৱ পূজা, দুৰ্গাপূজা, কালীপূজা, লক্ষ্মীপূজা, জন্মাষ্টমী, সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, ৰাখীবন্ধন, দীপাৱলী, ফাকুৱা, গণেশচতুৰ্থী, নৱৰাত্ৰি আদি। ইয়াৰ উপৰিও ঠাই বিশেষে আৰু বহুত পূজা কৰাৰ পৰম্পৰা আছে।

এই পূজা সমুহৰ ইতিহাস কিমান প্ৰাচীন তাক সঠিক ভাৱে বৰ্ণনা কৰাটো কঠিন। শ্ৰীশ্ৰী দূৰ্গা পূজাও ভাৰততো অতি পুৰণি। প্ৰচলিত আছে যে, স্বৰ্গ ও মৰ্ত্ত্যতত অসুৰ বিলাকৰ ৰজা মহিষাসুৰৰ অত্যাচাৰত স্বৰ্গৰ দেৱতা সকলে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ শৰণাপন্ন হোৱাত দূৰ্গা দেৱীৰ আবিৰ্ভাৱ হৈছিল। আনহাতে, আখ্যান আছে যে, শিৱ-পাৰ্বতীৰ বিবাহৰ প্ৰায় এবছৰৰ পাছত পাৰ্বতীক পিতৃ হিমালয়ে কৈলাশৰ পৰা নিজ গৃহলৈ আনিবলৈ যাওঁতে শিৱই ষষ্ঠী, সপ্তমী আৰু অষ্টমী তিথি এই তিনি দিনৰ অনুমতি দি নৱমী তিথিত আগমনৰ বাবে পৰামৰ্শ দিয়ে। সেইমতে, উমা মাকৰ ঘৰত থাকিবলৈ আহিল। ইয়াতে উল্লেখ কৰিব পাৰি যে, পাৰ্বতীৰ অন্য এটা নাম উমা। উমা পিতৃ গৃহত থাকোতে দেৱতা আৰু অসুৰৰ মাজত যুদ্ধ চলি আছিল। দেৱতা সকলে তেওঁলোকৰ দুৰ্গতি নাশৰ বাবে উমা দেৱীৰ সহায় প্ৰাৰ্থনা কৰিছিল আৰু দেৱীয়ে যুদ্ধত অৱতীৰ্ন হৈ মহিষাসুৰক বধ কৰি শান্তি প্ৰতিষ্ঠা কৰিছিল। ভাৰতবৰ্ষত শ্ৰীশ্ৰী দূৰ্গাপূজাৰ বিষয়ে বিভিন্ন লিখনিত বিভিন্ন আৰু কিছুমান আখ্যান পোৱা যায়।

মাৰ্কেণ্ডেয় পুৰাণত উল্লেখ আছে যে মহামুনি মেধসে মহামায়া দূৰ্গাদেৱীৰ মাহাত্ম্যৰ কথাৰে দিয়া পৰামৰ্শ অনুসৰি মহা পৰাক্ৰমী ৰজা সুৰথ আৰু সমাধি বৈশ্যই তেওঁলোকৰ মনোভিলাষ পুৰণৰ বাবে দুয়োজনে একেলগে নদীৰ পাৰত মৃন্ময় মূৰ্ত্তী প্ৰতিষ্ঠা কৰি যথাবিধিত শ্ৰীশ্ৰী দূৰ্গাদেৱীৰ পূজা কৰিছিল আৰু অভিষ্ট সিদ্ধি হৈছিল। তেতিয়াৰ পৰাই দূৰ্গা পূজা আৰম্ভণি বুলি কোৱা হয়।

শ্ৰীশ্ৰী দূৰ্গাদেৱীৰ পূজা বছৰত দুবাৰ কৰা হয়। বসন্ত কালত চ'ত মাহৰ শুক্লা ষষ্ঠী তিথিৰ পৰা দশমীলৈ এবাৰ পূজা কৰা হয়। এই পূজা বসন্ত কালত কৰা হয় বাবে বাসন্তী পূজা নামে জনা যায়। কাতি মাহৰ পৰা চ'ত মাহলৈ অৰ্থাৎ উত্তৰায়ণত দেৱ-দেৱী জাগ্ৰত থাকে। বাসন্তী পূজাৰ অষ্টমী তিথিক অশোকাষ্টমী আৰু নৱমী তিথিক শ্ৰী ৰামচন্দ্ৰৰ জন্ম দিন ৰামনৱমী হিচাবে পালন কৰি আহিছে। বাসন্তী পূজাত বোধন ব্যৱস্থা নাই। এই সময়ত ভাৰতত বিভিন্ন ঠাইত শুক্লা প্ৰতিপদৰ পৰা নৱমী তিথিলৈ নৱৰাত্ৰি উৎসৱ হিচাবেও পালন কৰে।

শৰত কালত আহিন মাহৰ শুক্লা ষষ্ঠী তিথিৰ পৰা দশমীলৈ আৰু এবাৰ পূজা কৰা হয়। বহাগৰ পৰা আহিন মাহলৈ অৰ্থাৎ দক্ষিণায়নত দেৱ-দেৱী নিদ্ৰাত থাকে। শ্ৰী ৰামচন্দ্ৰই ৰাৱণৰ লগত যুদ্ধ কৰাৰ পূৰ্বে অকালতে শৰত কালত দূৰ্গা দেৱীক নিদ্ৰা অৱস্থাতে আৱাহন কৰি এই পূজা কৰিব লগীয়া হোৱাৰ বাবে অকাল বোধন শাৰদীয় দূৰ্গা পূজা বুলিও কোৱা হয়। শ্ৰীশ্ৰী দূৰ্গা দেৱীয়ে তিনি দিন যুদ্ধ কৰি মহিষাসুৰক বধ কৰি বিজয় হোৱাৰ বাবে দশমী তিথিৰ দিনটো বিজয়া দশমী হিচাবে পালন কৰা হয়।

অন্যহাতে, ভাৰতবৰ্ষত সাধাৰণতে বয়োজেষ্ঠ মহিলাক বিশেষ সেৱা আগবঢ়োৱা ৰীতি প্ৰচলিত আছে। কোনো অঞ্চলত মহামাই ৰূপী মাতৃৰ বিশেষ শক্তি আহৰণৰ বাবে পূজা অৰ্চনা কৰাৰ প্ৰথা বহু পুৰণি। পৰৱৰ্ত্তী সময়তে আৰ্য্যসকলে সেই মহামাই ৰূপকে দূৰ্গা পূজালৈ ৰূপান্তৰিত কৰি বিধি বিধানৰ ব্যৱস্থা কৰা যেন অনুমান হয়। সেয়েহে কব পাৰি যে, শ্ৰীশ্ৰী দূৰ্গাদেৱী আদিম মাতৃ প্ৰধান সৰ্বশক্তিশালিনী মাতৃৰ নিদৰ্শন। এই মাতৃ পূজাৰ লগত বিলাস বৈভৱৰ সম্পৰ্ক নাছিল। গভীৰ আন্তৰিকতাৰে কামনা কৰিছিল শান্তি সম্প্ৰীতিপূৰ্ণ এখন মানুহৰ সমাজ। দূৰ্গা পূজাত পুৰোহিতে মন্ত্ৰ উচ্চাৰণ কৰি কয়-"ধনং দেহি, ৰূপং দেহি,যশো দেহি , দ্বিষো দেহি" অৰ্থাৎ পূজাৰ শেষ লক্ষ্য ধন, ৰূপ, যশস্যা বৃদ্ধি আৰু শত্ৰু নাশ। মুলতে এখন সুখ শান্তিময় সমাজৰ কামনা।●